# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 18-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। নিৰ্বাচন আয়োগে অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ নিৰ্দেশ দিছে।

২। বিহাৰৰ নৱনিৰ্বাচিত বিজেপিৰ বিধায়ক সকলে আজি দলপতি নিৰ্বাচনৰ বাবে পাটনাত সমবেত হ'ব।

৩। বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ মৃত্যুদণ্ডৰ ৰায়ক ভাৰতৰ কেইবাগৰাকীও কূটনীতিবিদে সমালোচনা কৰিছে।

৪। এনআইএই দিল্লীৰ লালকিল্লাৰ সমীপত হোৱা বোমা বিস্ফোৰণৰ সংক্ৰান্তত আৰু এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ লগতে আন কেইবাজনকো চিনাক্ত কৰা বুলি প্ৰকাশ কৰিছে। *আৰু*

৫। ভাৰতে বিশ্ব বক্সিং কাপ ফাইনেলছত দুৰ্দান্ত প্ৰদশনেৰে প্ৰতিযোগিতাৰ ২০টা শাখাৰে ছেমিফাইনেলত প্ৰৱেশ কৰি কেউটা শাখাৰে পদক নিশ্চিত কৰিছে।

০০০০০

নিৰ্বাচন আয়োগে অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ নিৰ্দেশ দিছে। সেই অনুসৰি অহা বছৰৰ পহিলা জানুৱাৰীত নিৰ্ধাৰিত দিনৰূপে ঘোষণা কৰা হৈছে। অসমৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ প্ৰেৰণ কৰা এখন পত্ৰত আয়োগে কয়, যে অহা ২৭ ডিচেম্বৰত সংহত ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰা হ'ব। নাগৰিকসকলে ২৭ ডিচেম্বৰৰ পৰা অহা বছৰৰ ২২ জানুৱাৰীলৈ ভোটাৰ তালিকা সন্দৰ্ভত আপত্তি দৰ্শাব পাৰিব। অহা বছৰৰ ১০ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। আয়োগে কোনো যোগ্য নাগৰিকৰ নাম যাতে ভোটাৰ তালিকাৰ পৰা বাদ নপৰে আৰু কোনো অযোগ্য নাগৰিকৰ নাম তালিকাত অন্তৰ্ভুক্ত নহয় সেই সন্দৰ্ভত প্ৰতিটো সমষ্টিতে নিয়োজিত ভোটাৰ পঞ্জীয়ক বিষয়াসকলৰ দায়বদ্ধতা থাকিব বুলি উল্লেখ কৰিছে। ভোটাৰ তালিকাৰ এই বিশেষ সংশোধনৰ সময়ত মুখ্য নিৰ্বাচনী বিষয়া আৰু জিলা নিৰ্বাচনী বিষয়াসকলে যোগ্য নাগৰিকসকলৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট হোৱাটো নিশ্চিত কৰিব লাগিব।

০০০০০

বিহাৰৰ নৱনিৰ্বাচিত বিজেপিৰ বিধায়ক সকলে আজি দলপতি নিৰ্বাচনৰ বাবে পাটনাত সমবেত হ'ব। দলটোৰ পৰ্যবেক্ষকসকলেও এই বৈঠকত অংশ ল'ব বুলি ৰাজ্যখনৰ বিজেপি সভাপতি দিলীপ জয়ছোৱালে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে শেহতীয়া বিহাৰ বিধানসভা নিৰ্বাচনত দলটোৱে ৮৯ খন আসনত জয়ী হৈছিল।

ইপিনে জনতা দল ইউনাইটেডৰ বিধায়িনী দলে নিজৰ দলপতি নিৰ্বাচনৰ বাবে কাইলৈ পাটনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। দলটোৰ নৱনিযুক্ত বিধায়কসকল কালি সমবেত হোৱাৰ কথা আছিল যদিও, বিশেষ কাৰণত সেয়া বাতিল কৰা হয়। জনতা দল ইউনাইটেডৰ বৈঠকৰ সময় সালসলনি হোৱাৰ

পৰিপ্ৰেক্ষিতত আজি হ'বলগীয়া এন ডি এৰ বৈঠকো স্থগিত হোৱাৰ সম্ভাৱনাই দেখা দিছে। এন ডি এৰ অংশীদাৰ প্ৰতিটো দলেই বিধায়িনী বৈঠক অনুষ্ঠিত কৰি নিজ নিজ দলৰ নেতা নিৰ্বাচন কৰাৰ অন্তত এন ডি এৰ বিধায়িনী বৈঠকখন অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে আৰ জে ডি দলৰ নৱনিযুক্ত বিধায়কসকলৰ এখন বৈঠকত কালি তেজস্বী প্ৰসাদ যাদৱক বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰা হয়।

অহা বৃহস্পতিবাৰে পাটনাৰ গান্ধী ময়দানত বিহাৰৰ নতুন মন্ত্ৰীসভাৰ শপতগ্ৰহণ অনুষ্ঠান সম্পন্ন হোৱাৰ কথা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে এন ডি এৰ কেইবাগৰাকী জ্যেষ্ঠ নেতা আৰু মন্ত্ৰী এই অনুষ্ঠানত উপস্থিত থাকিব।

ooooo

বাংলাদেশৰ আন্তৰ্জাতিক অপৰাধ ট্ৰাইবুনেলে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাক কালি মৃত্যুদণ্ডৰে দণ্ডিত কৰাৰ পাছতেই ভাৰতৰ কেইবাগৰাকীও ভূতপূৰ্ব ৰাষ্ট্ৰদূতে ইয়াৰ সমালোচনা কৰিছে। ২০০৩ৰ পৰা ২০০৬লৈ বাংলাদেশত ভাৰতৰ উচ্চায়ুক্তৰূপে সেৱা আগবঢ়োৱা বীনা ছিক্ৰিয়ে ১৯৭১ চনৰ স্বাধীনতা সংগ্ৰামৰ সময়ত যুদ্ধৰ অপৰাধীৰ গোচৰৰ বাবে গঠন কৰা বাংলাদেশৰ আন্তৰ্জাতিক অপৰাধ ট্ৰাইবুনেলে প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে গোচৰ প্ৰক্ৰিয়া চলোৱাৰ অধিকাৰ বা বৈধতাক লৈ প্ৰশ্ন উত্থাপন কৰিছে।

উল্লেখযোগ্য যে যোৱা বছৰৰ জুন-জুলাই মাহৰ গণ আন্দোলনকাৰীসকলক হত্যাৰ নিৰ্দেশ দিয়া, বিক্ষোভকাৰী ছাত্ৰ আবু ছাঈদক হত্যাৰ নিৰ্দেশ দিয়া আৰু উচতনিমূলক বক্তব্য দিয়াৰ অভিযোগ প্ৰমাণিত হোৱাৰ অন্তত কালি আদালতে শ্বেইখ হাছিনা আৰু বাংলাদেশৰ প্ৰাক্তন গৃহমন্ত্ৰী আছাদুজ্জামানক মৃত্যুদণ্ডৰে দণ্ডিত কৰাৰ লগতে তেওঁলোকৰ সা-সম্পত্তি বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিয়ে। ঢাকা আৰক্ষীৰ প্ৰাক্তন মহাপৰিদৰ্শক আল মানুনক একেটা গোচৰতে পাঁচ বছৰৰ কাৰাদণ্ড বিহা হয়।

ইপিনে এই ৰায় সন্দৰ্ভত ভাৰতৰ প্ৰাক্তন কূটনীতিবিদ ৰাজীৱ ডোগ্ৰাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্বেইখ হাছিনাক ভাৰতে আশ্ৰয় দিয়াৰ সিদ্ধান্তক আদৰণি জনায় আৰু হাছিনাৰ শাসনকালতে বাংলাদেশত গণতন্ত্ৰ সুৰক্ষিত আছিল বুলি মন্তব্য কৰে। কালিৰ ৰায়ৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ সন্দৰ্ভত চিন্তা ব্যক্ত কৰি শ্ৰীডোগ্ৰাই কয়, যে বাংলাদেশত শাসন ব্যৱস্থা অস্থিৰ হোৱা মানেই ভাৰতৰ বাবে সেয়া উদ্বেগৰ বিষয়। আন এগৰাকী প্ৰাক্তন কূটনীতিবিদ অনিল ত্ৰিগুনায়াতে বাংলাদেশৰ আদালতৰ এই সিদ্ধান্ত প্ৰত্যাশিত আছিল বুলি মন্তব্য কৰিছে।

ooooo

হাৰিয়ানাৰ ফৰিদাবাদত কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত উত্তৰ মাণ্ডলিক পৰিষদৰ এখন বৈঠকত ৰাজ্য চৰকাৰসমূহৰ মাজত সহযোগিতা, পানীৰ ভাগ বাটোৱাৰা সম্পৰ্কীয় সমস্যা আৰু উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত আলোচনা হয়। বৈঠকৰ আৰম্ভণিতে দিল্লীৰ লালকিল্লাৰ সমীপত হোৱা বিস্ফোৰণৰ ঘটনাত নিহতসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ বাবে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'টীম ভাৰত' দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি মাণ্ডলিক পৰিষদসমূহে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে। ৰাজ্যসমূহে পাৰস্পৰিক সহযোগিতাৰে শক্তিশালী দেশ গঢ়ি তুলিব পাৰে – এই আদৰ্শৰে মাণ্ডলিক পৰিষদসমূহ গঠন কৰা হৈছে। মহিলা আৰু শিশুৰ বিৰুদ্ধে যৌন অপৰাধৰ গোচৰৰ ক্ষিপ্ৰ তদন্ত আৰু ইয়াৰ দ্ৰুত নিষ্পত্তিৰ বাবে ফাষ্টট্ৰেক বিশেষ আদালত ৰূপায়ণকে ধৰি ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ

বিষয়সমূহৰ ক্ষেত্ৰতো মাণ্ডিলক পৰিষদসমূহে বিশষভাৱে আলোচনা কৰে। বিগত ১১ বছৰত বিভিন্ন মাণ্ডলিক পৰিষদ আৰু এইসমূহৰ স্থায়ী সমিতিৰ ৬৩ খন বৈঠক অনুষ্ঠিত হৈছে।

কালিৰ এই বৈঠকত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱত মন, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়ব সিং সৈনী, হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু, জম্মু আৰু কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্‌হা, দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ চাক্সেনা, জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা আৰু কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে হাৰিয়ানা, হিমাচল প্ৰদেশ, পাঞ্জাব, ৰাজস্থান, দিল্লী, জম্মু আৰু কাশ্মীৰ, লাডাখ আৰু চণ্ডীগড়ক লৈ উত্তৰ মাণ্ডলিক পৰিষদ গঠিত।

ooooo

ৰাষ্ট্ৰীয় তদন্ত সংস্থা- এনআইএই দিল্লীৰ লালকিল্লাৰ সমীপত হোৱা বোমা বিস্ফোৰণৰ সংক্ৰান্তত আৰু এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। সংস্থাটোৱে শ্ৰীনগৰৰ পৰা গ্ৰেপ্তাৰ কৰা কাশ্মীৰৰ বাসিন্দাজনৰ নাম জাছিৰ বিলাল ৱানী। সংস্থাটোৱে প্ৰকাশ কৰা অনুসৰি ৱানীয়ে ১০ গৰাকী নিৰিহ লোকৰ জীৱন কাঢ়ি নিয়া ২৫ জনৰো অধিক লোকক আঘাতপ্ৰাপ্ত কৰা সেই বিস্ফোৰণকাণ্ড সংঘটিত কৰাত কাৰিকৰী দিশত সহযোগ কৰিছিল। ৱানীয়ে বিস্ফোৰণৰ পূৰ্বে ড্ৰোনৰ ব্যৱহাৰৰ লগতে ৰকেট নিৰ্মাণৰ চেষ্টা চলোৱা বুলি এনআইএই প্ৰকাশ কৰিছে। সংস্থাটোৱে লগতে জানিবলৈ দিছে যে ৱানী এই বিস্ফোৰণকাণ্ডৰ অন্যতম ষড়যন্ত্ৰকাৰী আছিল আৰু সন্ত্ৰাসবাদী ওমৰ নবীক কূটাঘাত সংঘটিত কৰাত সম্পূৰণ সহযোগ কৰি আহিছিল।

ইপিনে এনআইএই বিস্ফোৰণকাণ্ডৰ আঁৰৰ পৰিকল্পনা ফাদিল কৰিবলৈ বিভিন্ন দিশৰ পৰা ইয়াৰ তদন্ত চলাই থকা বুলি প্ৰকাশ কৰিছে। সন্ত্ৰাসবাদ বিৰোধী কেইবাটাও সংস্থাই ইতিমধ্যে লাভ কৰা বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত কেইবাখনো ৰাজ্যত অভিযান চলাই কেইবাজনো লোকক চিনাক্ত কৰা বুলিও সংস্থাটোৱে জানিবলৈ দিছে।

ooooo

ইৰাণ চৰকাৰে চলিত মাহৰ ২২ তাৰিখৰ পৰা ইৰাণ ভ্ৰমণলৈ যোৱা পাছপ'ৰ্ট থকা সাধাৰণ ভাৰতীয় লোকসকলৰ বাবে ভিছা ৰেহাইৰ ব্যৱস্থা বাতিল কৰিছে। ইৰাণত ভাৰতীয়সকলক নিয়োগৰ ভুৱা প্ৰতিশ্ৰুতিৰে বা কোনো তৃতীয় দেশলৈ যোৱাৰ সুবিধা প্ৰদানৰ প্ৰলোভনেৰে ইৰাণলৈ যোৱা কাৰ্য প্ৰতিহত কৰাৰ উদ্দেশ্যে দেশখনে এই ব্যৱস্থা গ্ৰহণৰ ব্যৱস্থা লৈছে। দেশখনৰ বৈদেশিক মন্ত্ৰ্যালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ জৰিয়তে অপৰাধী উপাদানসমূহে ভিছা সুবিধাৰ অপব্যৱহাৰ কৰিব নোৱাৰে। সূত্ৰটোৱে লগতে কয়, যে চলিত মাহৰ ২২ তাৰিখৰ পৰা পাছপ'ৰ্টধাৰী সাধাৰণ ভাৰতীয় লোকসকলৰ বাবে ইৰাণলৈ বা ইৰাণৰ মাজেৰে অইন দেশলৈ যোৱাৰ বাবে ভিছা থকাতো বাধ্যতামূলক হ'ব।

ooooo

আয়োজক ভাৰতে গ্ৰেটাৰ নয়দাত অনুষ্ঠিত বিশ্ব বক্সিং কাপ ফাইনেলছত দুৰ্দান্ত প্ৰদশনেৰে প্ৰতিযোগিতাৰ ২০টা শাখাৰে ছেমিফাইনেলত প্ৰৱেশ কৰি কেউটা শাখাৰে পদক নিশ্চিত কৰিছে। পুৰুষৰ ৭০ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত হিতেশ গুলিয়াই প্ৰাক্তন বিশ্ব চেম্পিয়ন জাপানৰ ছেৱন ৰোকাজাৱাক পৰাস্ত কৰে। ইপিনে প্ৰতিযোগিতাত আৰম্ভণিৰে পৰা অদমনীয় প্ৰদৰ্শন কৰি অহা যদুমণি সিঙে ৫০ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত কাজাখস্তানৰ নুৰজাত অঙ্গাৰ'ভক ৫-০ ব্যৱধানত পৰাস্ত কৰে।

একেদৰে ৯০ কিলোগ্ৰাম ওজন শাখাত নবীন কুমাৰে কাজাখস্তানৰ বেকজাত টাঙ্গাতৰক, ৫৫ কিলোগ্ৰাম ওজন শাখাত পৱন বৰ্টোৱালে প্ৰতিযোগিতাত দ্বিতীয় বাছনিৰ কাজাখস্তানৰ এলটেনবেক নুৰ ছুলতানক আৰু ৭৫ কিলোগ্ৰাম ওজন শাখাত সুমিত কুণ্ডুৱে কোৰিয়াৰ কিম হিয়ু টাইক পৰাস্ত কৰি ছেমি ফাইনেললৈ অগ্ৰসৰ হৈছে।

ooooo

সমাপ্ত